Total No. of Printed Pages—3

## 5 SEM TDC ASMH (CBCS) C 12

**2024**

( November )

ASSAMESE

( Core )

Paper : C–12

**( Studies on Assamese Linguistics )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৭=৭

(ক) বাগিন্দ্রিয়ৰ অন্তৰ্গত এটা বিৱৰৰ নাম লিখাঁ।

(খ) অসমীয়া ভাষাৰ কণ্ঠ্য ধ্বনিটো কি?

(গ) 'বুধিয়ক' পদটোত কেইটা আকৃতি আছে?

(ঘ) অসমীয়া ভাষাত ব্যৱহাৰ কৰা এটা অব্যয় প্ৰকৃতিৰ উদাহৰণ দিয়াঁ।

(ঙ) 'ৰেলগাড়ী > ৰেল'—ধ্বনি পৰিৱৰ্তনৰ কোনটো নিয়ম ৰক্ষিত হৈছে?

(চ) *Phonetics* গ্ৰন্থখনৰ লেখক কোন?

(ছ) 'অসহযোগ' শব্দটোত কি সৰ্গ লগ লাগিছে?

২। (ক) উচ্চাৰণকৰণ আৰু উচ্চাৰণ স্থান কি? বাগধ্বনি উচ্চাৰণত ওঁঠ আৰু জিভাৰ ভূমিকাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৫+৫+৫=১৫

অথবা

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) ধ্বনি আৰু বৰ্ণ

(২) স্বৰভক্তি

(৩) স্বৰসংগতি

৩। (ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰি প্ৰতিটো বৰ্ণৰ আদি অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱাঁ। লগতে স্বৰবৰ্ণসমূহৰ প্ৰতিনিধিত্বকাৰী আখৰসমূহৰ উল্লেখ কৰাঁ। ৫+৫+৫=১৫

অথবা

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) স্পৰ্শ ব্যঞ্জনবৰ্ণ

(২) অক্ষৰ

(৩) শ্বাসাঘাত





৪। (ক) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি বুলিলে কি বুজাঁ? আকৃতিৰ পৰা প্ৰাকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া পদ্ধতিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৬+৯=১৫

অথবা

(খ) বদ্ধৰূপ বুলিলে কি বুজাঁ? বদ্ধৰূপৰ গুণগত বিভাজন সম্পৰ্কে এটি আলোচনা দাঙি ধৰাঁ। ৩+১২=১৫

৫। (ক) বৈয়াকৰণিক শ্ৰেণী বা গোত্ৰ বুলিলে কি বুজাঁ? অসমীয়া ভাষাৰ বৈয়াকৰণিক শ্ৰেণী বা গোত্ৰত কি কি বিষয় সামৰি লোৱা হৈছে, আলোচনা কৰাঁ। ১+১৩=১৪

অথবা

(খ) অসমীয়া ভাষাৰ শব্দগঠন আৰু শব্দৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰাঁ। ৭+৭=১৪

৬। (ক) অসমীয়া বাক্যৰ গঠন প্ৰক্ৰিয়া সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰাঁ। ১৪

অথবা

(খ) বাক্যতত্ত্ব বুলিলে কি বুজাঁ? গঠনৰ ওপৰত ভিত্তি কৰি অসমীয়া বাক্যক কেনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি, আলোচনা কৰাঁ। ৪+১০=১৪

★ ★ ★